ৰাজনীতি

বিৰোধী দলসমূহক বিভক্ত কৰি কেন্দ্ৰীয় চৰকাৰে আনিছে সমষ্টি পুনর্নির্ধাৰণ বিধেয়ক: গৌৰৱ গগৈৰ অভিযোগ

কেন্দ্ৰীয় সংস্থাসমূহ ব্যৱহাৰ কৰি বিৰোধী দলসমূহক দুর্বল কৰাৰ পাছত কেন্দ্ৰীয় চৰকাৰে সমষ্টি পুনর্নির্ধাৰণ বিধেয়ক আনিছে বুলি অভিযোগ সাংসদ গৌৰৱ গগৈৰ।

প্ৰকাশ: ২৮ নৱেম্বৰ ২০২৬, আবেলি ৬:২১



Gaurav Gogoi

নতুন দিল্লী, ২৮ নৱেম্বৰ: বিৰোধী ৰাজনৈতিক দলসমূহক দুর্বল কৰাৰ পাছত কেন্দ্ৰৰ বিজেপি নেতৃত্বাধীন চৰকাৰে পুনৰ সমষ্টি পুনর্নির্ধাৰণ বিধেয়ক অনাৰ প্ৰস্তুতি চলাইছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে কংগ্ৰেছৰ সাংসদ তথা লোকসভাৰ বিৰোধী দলপতি গৌৰৱ গগৈয়ে।প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক লক্ষ্য কৰি সাংসদগৰাকীয়ে অভিযোগ কৰে যে নির্বাচন আয়োগ আৰু কেন্দ্ৰীয় তদন্তকাৰী সংস্থাসমূহক ব্যৱহাৰ কৰি বিৰোধী দলসমূহক বিভক্ত আৰু দুর্বল কৰা হৈছে। প্ৰস্তাৱিত বিধেয়কখন সন্দর্ভত সামাজিক মাধ্যমযোগে তেওঁ কয় যে নির্বাচন আয়োগৰ সহায়ত দলসমূহক বিভক্ত কৰা হৈছে আৰু আন দলবোৰক ইডিৰ তদন্তৰ ভাবুকি প্ৰদান কৰা হৈছে। প্ৰতিষ্ঠানসমূহৰ আপোচকামী ভূমিকা আৰু ন্যায় ব্যৱস্থাৰ নিষ্ক্ৰিয়তাৰ বাবেই এনে পৰিস্থিতিৰ সৃষ্টি হোৱা বুলিও তেওঁ মন্তব্য কৰে।

উল্লেখ্য যে, ৩০ নৱেম্বৰৰ পৰা সংসদৰ বিশেষ অধিৱেশন আৰম্ভ হ'ব। এই অধিৱেশনতে মহিলা সংৰক্ষণ আৰু

লোকসভা তথা ৰাজ্যিক বিধানসভাৰ সমষ্টি পুনর্নির্ধাৰণ সম্পর্কীয় বিধেয়ক উত্থাপন কৰাৰ সম্ভাৱনা আছে। প্রস্তাৱ অনুসৰি লোকসভা আৰু ৰাজ্যিক বিধানসভাসমূহৰ আসনৰ সংখ্যা ৫০ শতাংশ বৃদ্ধি কৰাৰ পৰিকল্পনা কৰা হৈছে, যাৰ ফলত লোকসভাৰ সর্বাধিক আসন ৫৪৩ৰ পৰা ৮৫০লৈ বৃদ্ধি পাব পাৰে। বিধেয়কখনত ২০১১ চনৰ লোকপিয়লৰ তথ্য ব্যৱহাৰৰ প্রস্তাৱ থকাৰ লগতে ২০৫১ চনলৈকে ৰাজ্যসমূহৰ মাজত প্রতিনিধিত্বৰ বর্তমানৰ অনুপাত অক্ষুণ্ণ ৰখাৰ কথা উল্লেখ কৰা হৈছে। ইয়াৰ বাবে এখন সমষ্টি পুনর্নির্ধাৰণ আয়োগ গঠন আৰু মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ কার্যকৰী কৰাটোও বিধেয়কখনৰ অন্যতম উদ্দেশ্য।

ইয়াৰ পূর্বে এপ্রিল মাহত উত্থাপন কৰা বিধেয়কখনে লোকসভাত প্রয়োজনীয় দুই-তৃতীয়াংশ সমর্থন লাভ কৰাত ব্যর্থ হৈছিল। কংগ্রেছসহ বিৰোধী দলসমূহে প্রস্তাৱিত বিধেয়কখনৰ বিভিন্ন দিশক লৈ আপত্তি প্রকাশ কৰিছে। সাংসদ গৌৰৱ গগৈয়ে লোকসভাৰ বর্তমানৰ আসনৰ ভিতৰতে মহিলাৰ সংৰক্ষণ কার্যকৰী কৰাৰ যুক্তি আগবঢ়াইছে। বিশেষ অধিৱেশনৰ পূর্বে উমৈহতীয়া স্থিতি নির্ধাৰণৰ বাবে কংগ্রেছ সভাপতি মল্লিকার্জুন খার্গেই বিৰোধী নেতাসকলৰ এখন বৈঠক আহ্বান কৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7296/gaurav-gogoi-delimitation-bill-modi-govt